# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়
# ৰূপতাত্ত্বিক বিশ্লেষণ

ৰূপতত্ত্ব হ'ল কোনো এটা ভাষাৰ গাঁথনিক দিশত ব্যৱহৃত ৰূপ সম্পৰ্কে কৰা বিশ্লেষণ । সেয়ে ভাষা একোটাৰ স্বতন্ত্ৰতা নিৰ্ভৰ কৰে ইয়াৰ ৰূপতাত্ত্বিক গাঁথনিৰ ওপৰত। ব্লুমফিল্ডৰ মতে "মুক্তৰূপৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ বিশ্লেষণেই ৰূপতত্ত্ব।"[১] বদ্ধৰূপ হ'ল ভাষা একোটাৰ ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰৰ এটা প্ৰধান ভাগ। বদ্ধৰূপবোৰক সাধাৰণতে সৰ্গ বা প্ৰত্যয় বোলে।

**৩.১ সৰ্গঃ**

মূল ৰূপৰ আশ্ৰয়ত নতুন শব্দ সাধন কৰা কিছুমান বদ্ধৰূপেই সৰ্গ। মায়তৰি ভাষাত সৰ্গ চাৰিটা। সেইবোৰ হ'ল-

(ক) উপসৰ্গ বা পূৰ্বসৰ্গ।

(খ) অনুসৰ্গ বা পৰসৰ্গ।

(গ) প্ৰত্যয় আৰু

(ঘ) বিভক্তি।

**৩.১.২ উপসৰ্গ বা পূৰ্বসৰ্গ ঃ** শব্দৰ আগত সংযোগ ঘটি শব্দৰ সাধন হোৱা সৰ্গৰ নামেই উপসৰ্গ বা পূৰ্বসৰ্গ। মায়তৰি ভাষাৰ উপসৰ্গৰ উদাহৰণ ঃ

তো ঃ তোখা, তোখুৰ, তোবাউ।

পি ঃ পিখা, পিচি, পিথাৰ, পিথিং।

ৰাং ঃ ৰাংখোপ, ৰাংগ্ৰে, ৰাংছাং, ৰাংছি।

চে ঃ চেপক, চেলেং, চেপান, চেনা।

না ঃ নায়ৰক, নায়ব্ৰাক, নাছানা।

পান ঃ পানচাক, পামচু, পাৰাং ইত্যাদি।

**৩.১.৩ অনুসৰ্গ বা পৰসৰ্গ ঃ** শব্দৰ শেষত থকা জোৰ, সন্দেহ, আবেদন, অনুৰোধ, প্ৰাৰ্থনা আদি বুজোৱা

সৰ্গবোৰেই অনুসৰ্গ বা পৰসৰ্গ ।

উদাহৰণ ঃ

ৰামপেকে সীতাবা বনবাছিনা ৰেঙাতামামুং। নাৰং তেবে জাছিনাবা তাৰেং।

গাড়ী ছুকফায়জোৰান নাংঝা তেবা দগোনা জাংচা।

আয়া তেচিকিনান নোক ছুক্‌চা।

ওপৰত উল্লেখ কৰা বাক্যবোৰৰ -- তলত ডেছ(--) চিন দিয়া সীতাবা (সীতা -- বা) জাছিনাবা (জাছিনা-- বা) ছুকফায়জোৰান (ছুকফায়জো -- ৰান ) তেচিকিনান (তেচিকি -- নান) আদি সৰ্গবোৰে শব্দৰ শেষত থাকি কথাৰ জোৰ দিয়া অৰ্থ প্ৰকাশ কৰিছে।

**৩.২ প্ৰত্যয় ঃ**

প্ৰত্যেক ভাষাৰ শব্দৰ মূল আছে। এই মূল বা প্ৰকৃতিৰ লগত সংযুক্ত সৰ্গই কিছুমান নতুন শব্দৰ সাধন কৰে। এই নতুন শব্দৰ সাধন প্ৰক্ৰিয়াকে প্ৰত্যয় বোলে। যেনে ঃ খাৰ + আ = খাৰা (কৰা), ৰুম + কায় = ৰুমকায় (ৰান্ধন)।

মায়তৰি ভাষাত প্ৰত্যয় প্ৰধানভাৱে দুটা। যেনে ঃ

১। কৃৎ প্ৰত্যয়।

২। তদ্ধিত প্ৰত্যয়।

**৩.২.১ কৃৎ প্ৰত্যয় ঃ** ধাতুৰ পিছত যোগ হোৱা সৰ্গবোৰে কৃৎ প্ৰত্যয়। যেনে-

খাৰ + আ = খাৰা (কৰা)

কানি + কায় = কানিকায় (কোৱা)

মুন + জো = মুনজো (পকিল)

**৩.২.২ তদ্ধিত প্ৰত্যয় ঃ** প্ৰাতিপাদিকৰ পিছত সংযোগ হৈ নতুন শব্দৰ সাধন কৰা সৰ্গই তদ্ধিত প্ৰত্যয়। যেনে-

ছাক + আ = ছাকা (ৰঙা)

বক + আ = বকা (বগা)

মায়তৰি ৰাভা ভাষাত কৃৎ প্ৰত্যয়ক আকৌ তলত দিয়া ধৰণে ভাগ কৰা হয়। যেনে-

ক) এটা ধাতুৰ পৰা আন এটা ধাতু সৃষ্টি কৰা কৃৎ প্ৰত্যয়।

যেনে- পৰ + আয় = পৰায় (পঢ়া)

ৰা + খু = ৰাখু (দিয়া)

খ) ধাতুৰ লগত সংযুক্ত কৃদন্ত নাম শব্দৰ সৃষ্টি কৰা কৃৎ প্ৰত্যয়।

যেনে- ছা + কায় = ছাকায় (খোৱা কাৰ্য)

গুৰি + কায় = গুৰিকায় ( শুৱা কাৰ্য)

গ) কোনো কাৰ্য কৰা ব্যক্তিক বুজোৱা কৃৎ প্ৰত্যয় ।

যেনে - ছাকায় + কায় = ছাকায়কায় (যিয়ে খায় সি)

খাৰকায় + কায় = খাৰকায়কায় (যিয়ে কৰে সি)।

ঘ) ধাতুজ বিশেষণ তৈয়াৰ কৰা কৃৎ প্ৰত্যয়। যেনে-

উ ছাচিকিনা আং ছামে তঙো

(সি খোৱালৈ মই ৰৈ থাকিম)

উ পৰায়চিকিনা আং নুই তঙো

(সি পঢ়ালৈ মই বহি থাকিম)

ঙ) ক্ৰিয়াৰ কাল বা দশা বুজোৱা কৃৎ প্ৰত্যয়। যেনে-

খাৰ + এতা = খাৰেতা। এতা, প্ৰত্যয়ে চলি থকা কাৰ্য বুজাইছে।

খাৰ + জো = খাৰজো। -- জো প্ৰত্যয়ে অতীত হৈ যোৱা কাৰ্য বুজাইছে।

অসমীয়াৰ দৰে মায়তৰি ভাষাতো তদ্ধিৎ প্ৰত্যয়ক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি। যেনে-

ক) শব্দ সাধনৰ তদ্ধিৎ প্ৰত্যয়।

প্ৰাতিপাদিকৰ পিছত কিছুমান প্ৰত্যয় লগ লাগি কেৱল শব্দৰ সাধন কৰাই শব্দ সাধনৰ তদ্ধিৎ প্ৰত্যয়। যেনে- মাৰ + ই = মাৰি (বুঢ়ী)

বক + আ = বকা (বগী)

খ)  লিংগভেদ তদ্ধিৎ প্ৰত্যয়। উদাহৰণ-

| পুংলিঙ্গ | স্ত্ৰীলিংগ |
|---|---|
| জাৰ + আ = জাৰা (পাগল) | জাৰ + ই = জাৰি (পাগলী) |
| মাম + আ = মামা (মামা / পেহা) | মান + ই = মানি (মামি / পেহী) |

গ)  নিৰ্দ্দিষ্টতাবাচক তদ্ধিৎ প্ৰত্যয়। উদাহৰণ

মাছু + বে = মাছুবে (গৰুটো)

নোক + বে = নোকবে (ঘৰটো)

ঘ)  বচনবাচক তদ্ধিৎ প্ৰত্যয় । উদাহৰণ-

আয়া + ৰং = আয়াৰং (মাতৃসকল)

কায় + বিজান = কায়বিজান (মানুহবোৰ)

**৩.৩. বিভক্তি ঃ** মায়তৰি ৰাভা ভাষাত বিভক্তি সাত প্ৰকাৰৰ। বিভক্তিৰ তালিকা তলত দিয়া হ'ল।

| বিভক্তি | | বিভক্তিৰ চিহ্ন |
|---|---|---|
| প্ৰথমা বিভক্তি | (পৌইলা) | অ, আ |
| দ্বিতীয়া বিভক্তি | (নিংবা) | ও, না |
| তৃতীয়া বিভক্তি | (থামবা) | পেকে |
| চতুৰ্থী বিভক্তি | (ব্ৰিবা) | না, নোক / নাকে |
| পঞ্চমী বিভক্তি | (বৌংবা) | ই পাৰা, নিপাৰা |
| ষষ্ঠী বিভক্তি | (ক্ৰোববা) | ই, নি |
| সপ্তমী বিভক্তি | (ছ্নিবা) | ইদিগি, নিদিগি।[২] |

তলত প্ৰত্যেকটো বিভক্তি প্ৰয়োগত গঠিত হোৱা বাক্য কিছুমানৰ উদাহৰণ দিয়া হ'ল। যেনে-

ক)  প্ৰথমা বিভক্তি - অ, আ ঃ উদাহৰণ-

আং (মই) + আন = আঙান (মইয়ে)

বিৰেননা আঙান কানিবা, উ ৰেঙা নামচা (বিৰেনক মইয়ে কৈছিলো, সি যাব নিবিছাৰে)

খ) দ্বিতীয়া বিভক্তি - ও, না ঃ আয়া চিঙো নাছিয়া (মা আমাক মৰম কৰে)। উদাহৰণ- চিং + ও = চিঙো (আমাক)।

গ) তৃতীয়া বিভক্তি - পেকে ঃ আং ৰুং পেকে চিকাপাতে ৰিবাজো (মই নাওঁৰে পানী পাৰ হৈ আহিছোঁ)। ৰুং + পেকে = ৰুংপেকে (নাওঁৰে)।

ঘ) চতুৰ্থী বিভক্তি- না, নাকে ঃ আয়া আঙানাকে নেন পিদান ৰাবাজো (মা মোলৈ নতুন কাপোৰ আনিছে। আঙা + নাকে = আঙানাকে (মোলৈ)।

ঙ) পঞ্চমী বিভক্তি- ইপাৰা, নিপাৰা ঃৰানপুৰং চিঙিপাৰা চিকা ৰাঙা (ৰানপুহঁতে আমাৰ পৰা পানী লৈ যায়)। চিং + ইপাৰা = চিঙিপাৰা।

মায় + নিপাৰা = মায়নিপাৰা (ধানৰপৰা) মায়নিপাৰা মায়ৰুং চাঙা (ধানৰ পৰা চাউল হয়)।

চ) ষষ্ঠী বিভক্তি- ই, নি ঃ নেমচাকায় কায়নি কাথা তা নাথাম (বেয়া মানুহৰ কথা নুশুনিবা)।

কায় + নি = কায়নি (মানুহৰ)

ছ) সপ্তমী বিভক্তি- নিদিগি, ইদিগি ঃ হাচুদিগি মাছা-মাধা তোৰা (পাহাৰত বাঘ-ভালুক থাকে)। হাচু + দিগি = হাচুদিগি (পাহাৰত) ইত্যাদি।

**৩.৪ লিংগ ঃ** মায়তৰি ভাষাত লিংগ চাৰিটা দেখা যায়। সেই কেইটা হ'ল-

ক) পুংলিংগ

খ) স্ত্রীলিংগ

গ) ক্লীৱ লিংগ

ঘ) উভয়লিংগ

**পুংলিংগ ঃ** মায়তৰি ভাষাত পুংলিংগ বুজোৱা শব্দ ঃ মাব্বা (মতা), জুজু (ককা), মেছা (ল'ৰা), বাৰা / বাবা (দেউতা) ইত্যাদি।

**স্ত্রীলিংগ ঃ** স্ত্রীলিংগ বুজোৱা শব্দ মায়তৰি ভাষাত ঢেৰ আছে।

যেনে ঃ মাজু (মাইকী), বিদি (আইতা), আয়া (মা), ছিছি (মাহী ) মিচা (ছোৱালী) আদি।

**ক্লীৱ লিংগ ঃ** মায়তৰি ভাষাত ক্লীৱলিংগ বুজোৱা শব্দবোৰ হ'ল-

রামপাৰ (বতাহ), ৰংছাং (সূৰ্য্য), চিকা (পানী), নেন (কাপোৰ), পান (কাঠগছ), হাচু (পাহাৰ) ইত্যাদি।

**উভয়লিংগ ঃ** উভয়লিংগ বুজোৱা শব্দৰ উদাহৰণো বহু পৰিমানে পোৱা যায়।

যেনে- হুতী (হাতী), মাছু (গৰু), না (মাছ), মাছি (হৰিণ) ইত্যাদি।

মায়তৰি ভাষাত লিংগভেদ কৰা চাৰিটা উপায় আছে। সেইবোৰ ঃ

**ক) স্বতন্ত্ৰ শব্দৰ দ্বাৰা লিংগ নিৰ্ণয় ঃ**

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| মাব্বা (মতা) | মাজু (মাইকী) |
| গাভুৰ (ডেকা) | ধৰায় (গাভৰু) |
| বুদা (বুঢ়া) | মাৰি (বুঢ়ী) |
| বাংবাং (খুড়া) | ছিছি (খুড়ী) |
| ফাজং (জেঠা) | মাজং (জেঠী) |
| মি'বা (গিৰিয়েক) | মিচিক (ঘৈণীয়েক) |

**খ) পুংলিংগ আৰু স্ত্ৰীলিংগৰ আগে পিছে শব্দৰ সংযোগ কৰি ঃ**

| <u>পুলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| মেছাকায় (ল'ৰা) | মিছাকায় (ছোৱালী) |
| কিমাব্বা (মতাকুকুৰ) | কিমাজু (মাইকী কুকুৰ) |
| নেব্ৰামেছা (শহুৰ) | নেব্ৰামিছা (শাহু) |

নিৰ্জীৱবাচক শব্দবোৰতো মাব্বা, মাজু, জিব্ৰা আদিৰ সংযোগ হোৱা দেখা যায়। যেনে- টাকাজিব্ৰা (মূলধন), বাৰজিব্ৰা (জুইশলা)ৰামজিব্ৰা (মূলবাট) ইত্যাদি।

**গ) আকাৰান্ত শব্দৰ পিছত -ই- কাৰান্ত প্ৰত্যয়ৰ সংযোগৰ ফলত ঃ**

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| পাগ্লা (পাগল) | পাগ্লি (পাগলী) |

| | |
|---|---|
| ভেব্ৰা (অজলা) | ভেব্ৰি (আজলী) |
| কাল্লা (লগুৰা) | কাল্লি (লিগিৰী) |

**ঘ) আধুনিক শব্দৰ পিচত 'ৰি' সংযোগৰ ফলত ঃ**

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| বাৰংগিৰি (সভাপতি) | বাৰং মাৰি (সভানেত্ৰী) |
| ৰংগিৰি (বীৰ) | ৰং মাৰি (বীৰঙ্গনা) |
| গপদ্ৰাগিৰি (ঔপন্যাসিক) | গপদ্ৰামাৰি (ঔপন্যাসিক) ইত্যাদি।[৩] |

**৩.৫ পুৰুষ ঃ**

মায়তৰি ভাষাত পুৰুষ তিনিটা। যেনে -

ক) প্ৰথম পুৰুষ বা উত্তম।

খ) দ্বিতীয় পুৰুষ বা মধ্যম।

গ) তৃতীয় পুৰুষ।

**প্ৰথম পুৰুষ ঃ**

কওঁতা বা কোৱাজনেই প্ৰথম পুৰুষ। যেনে - আং (মই), আঙি (মোৰ)। আং মায় কায়না ৰেঙেতা (মই ধান ৰুৱলৈ গৈ আছো)।

**দ্বিতীয় পুৰুষ ঃ**

যিজনক কয় সিয়েই দ্বিতীয় পুৰুষ। যেনে- নাং (তুমি), নাঙি (তোৰ)। নাংবিচিনা ৰেঙো (তুমি কলৈ যাবা)।

**তৃতীয় পুৰুষ ঃ**

যাৰ বিষয়ে কোৱা হয় সিয়ে তৃতীয় পুৰুষ। যেনে ঃ উ, ও (তেওঁ), উনি / ওনি (তেওঁৰ)। উ নিমিন কায় নেমা (তেওঁ বৰ ভাল মানুহ) ইত্যাদি।

**৩.৬ কাৰক ঃ**

মায়তৰি ভাষাৰ কাৰক সাতটা। যেনে - কৰ্তা, কৰ্ম, কৰণ, সম্প্ৰদান বা নিমিত্ত, অপাদান, সম্বন্ধ

আৰু অধিকৰণ কাৰক।

মায়তৰি ভাষাত ব্যৱহাৰ হোৱা কাৰক বিভক্তি বিলাকৰ তালিকা এখন তলত দিয়া হ'ল।

| কাৰক | বিভক্তি | চিন |
|---|---|---|
| কর্তা | পৌইলা (প্রথমা) | ০ শূন্য বিভক্তি |
| কর্ম | নিংবা (দ্বিতীয়া) | না / আ, ত |
| কৰণ | থামবা (তৃতীয়া) | পেকে / তেকা / চাকি |
| সম্প্রদান বা নিমিত্ত | ব্রিবা (চতুর্থী) | না, নাকে |
| অপাদান | বৌংবা (পঞ্চমী) | নিপাৰা, ইপাৰা |
| সম্বন্ধ | ক্রোববা (ষষ্ঠী) | নি, ই |
| অধিকৰণ | ছিনবা (সপ্তমী) | ইদিগি, নিদিগি |

**কর্তা কাৰক ঃ**

মায়তৰি ভাষাত কর্তা কাৰকত কোনো বিভক্তি যোগ নহয়।[৪] কেতিয়াবা নিশ্চয় বুজাবলৈ বে, পৰসর্গ লগ লগাই কিছুমান শব্দৰ সাধন কৰা হয়। যেনে- বিনাবে পৰায়তা (বিনাই পঢ়িছে), ৰাংখোপবে ক্রিঙেতা ( মেঘে গজিছে)।

**কর্ম কাৰক ঃ**

মায়তৰি ভাষাত কর্ম কাৰকত দ্বিতীয়া বিভক্তি না /আ, ও যোগ হয়। যেনে-

ৰূপা মিনিনা / মিনিও ককজো (ৰূপাই মিনিক মাৰিলে)।

বিনু মাছুনা / মাছুও গজকে ৰাখু (বিনু গৰুক এৰি দিয়া)।

**কৰণ কাৰক ঃ**

কৰণ কাৰকত তৃতীয়া বিভক্তি পেকে / তেকা / চাকি যোগ হয়। যেনে - বাকেং পেকে পান তানজো (কুঠাৰেৰে গছডাল কাটিলে); মিৰা বাছতেকা পৰায়দামিনা ৰেঙা (খিৰা বাছেৰে স্কুললৈ যায়)।

**সম্প্রদান বা নিমিত্ত কাৰক ঃ**

মায়তৰি ভাষাত এই কাৰকত চতুর্থী বিভক্তি না, নাকে, যোগ কৰা হয়। যেনে ঃ ভানু মায়নামকাংয়

কায়না নাকে মায়ৰুং ৰাখুজো (ভানু ভিক্ষাৰিজনলৈ চাউল দিছে)।

**অপাদান কাৰক ঃ**

অপাদান কাৰকত পঞ্চমী বিভক্তি সংযোগৰ ফলত কিছুমান অৰ্থপূৰ্ণ বাক্যৰ গঠন হয়। যেনে- চেপৰেংনিপাৰা থুচি চাঙা (তিলৰপৰা তেল হয়), আঙিপাৰা নাং তাকা মাননো (মোৰ পৰা তুমি টকা পাবা)।

**সম্বন্ধ কাৰক ঃ**

মায়তৰি ভাষাত সম্বন্ধ কাৰকত ষষ্ঠী বিভক্তি নি, ই সংযোগ হয়। যেনে-নাঙি ছুঙিনি আতা মুং (তোমাৰ গাওঁখনৰ নাম কি)? ৰনদন্নি পৰায়কায় নেমা (ৰন্দনৰ পঢ়া ভাল)।

**অধিকৰণ কাৰক ঃ**

অধিকৰণ কাৰকত সপ্তমী বিভক্তি ই, ইদিগি / নিদিগি সংযোগ ঘটে। যেনে- না চিকাদিগি তোৰা (মাছ পানীত থাকে), হাচুই মাছা মাধা তোৰা (পাহাৰত বাঘ-ভালুক থাকে)।

মনকৰিবলগীয়া যে মায়তৰি ভাষাত ব্যক্তি-অব্যক্তি, নাম-সম্বন্ধ, স্থান-কালবাচক বিভিন্ন বিশেষ্য আৰু সৰ্বনামভেদে বিভিন্ন শব্দ বিভক্তিৰ প্ৰয়োগ ঘটে। যেনে- ব্যক্তিবাচক কায় (মানুহ) ঃ কায়ো (মানুহক ), কায়চিকি (মানুহৰ দ্বাৰা), কায়দিগি (মানুহত), কায়পেকে (মানুহৰ দ্বাৰা) ইত্যাদি।

**সম্বন্ধবাচক আয়া (মা)** ঃ আয়াবে (মায়ে), আয়াও (মাক), আয়াপকে (মাৰ সৈতে), আয়াচিকি (মাৰ দ্বাৰা), আয়াখাতাং (মাৰ তাত) ইত্যাদি।

**কালবাচক** - গাফুং (কালি) ঃ গাফুংবে (কাইলৈ), গাফুঙো (কাইলৈক), গাফুংতেকা (কাইলৈ মান), গাফুঙা (কাইলৈকে), গাফুং চিকিনা (কাইলৈৰ বাবে), গাফুঙিনিপাৰা (কাইলৈৰ পৰা), গাফুঙি (কাইলৈৰ)।[৫]

**স্থানবাচক তুৰা ঃ** তুৰাবে (তুৰাখন), তুৰাও (তুৰাক), তুৰাতেকা (তুৰাহে), তুৰানা (তুৰাক), তুৰাইনা (তুৰালৈ), তুৰানিপাৰা (তুৰাৰ পৰা), তুৰাই / তুৰাদিগি (তুৰাত) ইত্যাদি।

ছোং (গাওঁ) ঃ ছোংবে (গাৱেঁই),

ছোঙো (গাওঁক) ছোংপেকে (গাৱেৰে),

ছোংনা (গাওঁলৈ), ছোঙিনিপাৰা (গাঁৱৰপৰা), ছোঙিনি (গাওঁৰ), ছোংদিগি (গাৱঁত) ইত্যাদি।

**সম্বন্ধবাচক নাং (তুমি) ঃ** নামে / নাংবে (তুমি /তুমিয়েই), নাঙো (তোমাক), নাংপেকে (তোমাৰ সৈতে), নাংচিকি (তোমাৰ দ্বাৰা)। নাঙা (তোমালৈ), নাঙিপাৰা (তোমাৰ পৰা), নাঙি (তোমাৰ), নাংখাতাং (তোমাৰ তাত)।

**কৃদন্ত ৰূপৰ লগত কাৰকৰ বিভক্তি প্ৰয়োগ ঃ**

ৰিম্বা ∠ৰিম (সিজোৱা / বনোৱা) + বা ঃ ৰিম্বা + আয় > ৰিম্বায় (ভাত আদি সিজোৱাত), ৰিমবায়না (সিজালৈ), ৰিম্বায়নিপাৰা (সিজোৱাৰ পৰা), ৰিম্বাপেকে (সিজাওতে) ,ৰিমা (সিজাবলৈ) ইত্যাদি।

ছাবা ∠ ছা (খা) + বা ঃ ছাবা + আয় > ছাবায় (খোৱাত), ছাবায় + না = ছাবায়না (খোৱালৈ), ছাবায় + নিপাৰা > ছাবায়নিপাৰা (খোৱাৰ পৰা)। ছাবা + পেকে > ছাবাপেকে (খাওঁতে) ইত্যাদি।

উল্লেখযোগ্য যে মায়তৰি ভাষাত এনে একেটা বাক্যত এক বা একাধিক কাৰকৰ ধাৰণা দিয়াৰ উপৰিও কিছুমান বাক্যৰ ক্ষেত্ৰত আটাইবোৰ কাৰকৰ বোধ জন্মাৰ পৰা একো একোটা দীঘলীয়া বাক্যৰ ব্যৱহাৰ দেখা যায়। যেনে-

আংবা নাংপেকে পূজা চিনা ৰেঙো (ময়ো তোমাৰ লগত পূজা ছাবলৈ যাম)।

ৰমেনবে ৰাংফাচি বুই বুই হাল বোয়না ৰেংজো (ৰমেনে বৰষুণত জিকি জিকি হাল মাৰিবলৈ গ'ল)। ইত্যাদি

**৩.৭ বচন** ঃ মায়তৰি ভাষাত বচন দুটা।

যেনে- ক) একবচন।

খ) বহুবচন।

মায়তৰি ভাষাত দ্বিবচনৰ ধাৰনা আছে কিন্তু সেইবোৰ বিশেষভাৱে সম্বন্ধবাচক শব্দ আৰু সৰ্বনামৰ ক্ষেত্ৰতহে পোৱা যায়। বহুবচনবাচক প্ৰত্যয়বোৰ হ'ল- ৰং, তাং, বিজান, বিজাম। তদুপৰি অনুৰূপ শব্দ বা যুৰীয়া শব্দ সংযোগৰ ফলতো একবচনৰ পৰা বহুবচন কৰা নিয়ম মায়তৰি ভাষাত আছে।

**ৰং প্ৰত্যয় ঃ** নামবাচক, সম্বোধনবাচক আৰু ব্যক্তিবোধক সৰ্বনামৰ পিছত --- ৰং বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ হয়। যেনে-

| একবচন | বহুবচন |
|---|---|
| নাং (তুমি) | নাৰং (তোমাৰ) |
| মিনু (মিনু) | মিনুৰং (মিনুহঁত) |
| বাবা (দেউতা) | বাবাৰং (দেউতাই) |
| ই, এ (এওঁ, এখেত) | এৰং (এওঁলোক) |

**তাং প্ৰত্যয় ঃ** সম্বন্ধবাচক, জাতিবাচক, ব্যক্তিবাচক বা ক্ৰিয়াৰ লগত তাং বহুবচনবাচক প্ৰত্যয়ৰ ব্যৱহাৰ কৰা হয়। যেনে ঃ

| একবচন | বহুবচন |
|---|---|
| কায় (মানুহ) | কায়তাং (মানুহবিলাক) |
| গাভুৰ (যুৱক) | গাভুৰতাং (যুৱকসক) |
| মামব্ৰা (মোমায়েক) | মামব্ৰাতাং (মোমায়েক সকল) |
| চিবা (দৰ্শক) | চিবাতাং (দৰ্শকসকল) |
| ফৗছাবা (নাচনী) | ফৗছাবাতাং (নাচনীসকল) |

কোনো ব্যক্তিক বুজাবলৈ গালি-শপনি দিয়া অৰ্থত জীৱ জন্তুবাচক শব্দ কিছুমানৰ লগতো তাং বহুবচন বাচক প্ৰত্যয়ৰ প্ৰয়োগ কৰা হয়। যেনে-

| একবচন | বহুবচন |
|---|---|
| মাক্ৰা (বান্দৰ) | মাক্ৰাতাং (বান্দৰহঁত) |
| বায়নাং (পাগল) | বায়নাংবাতাং (পাগলহঁত) |

**বিজান / বিজাম ঃ** বিজান / বিজাম বহুবচনাত্মক প্ৰত্যয় সকলো প্ৰাণী আৰু অপ্ৰানীবাচক বিশেষ্য শব্দৰ পিছত ব্যৱহাৰ হয়। যেনে-

একবচন বহুবচন

| | |
|---|---|
| মায় (ধান) | মায়বিজান (ধানবোৰ) |
| ৰাম (ৰাস্তা) | ৰামবিজান (ৰাস্তাবোৰ) |
| তো (চৰাই) | তোবিজান (চৰাইবোৰ) |
| মাছু (গৰু) | মাছুবিজান (গৰুবোৰ) |
| বাক (গাহৰী) | বাকবিজান (গাহৰীকো) |
| পাৰ (ফুল) | পাৰবিজান (ফুলবোৰ) |
| ছাম (ঘাঁহ) | ছামবিজান (ঘাঁহবোৰ) |
| হাচু (পাহাৰ) | হাচুবিজান (পাহাৰবোৰ) |
| তৌকাৰ (ডাইনী) | তৌকাৰবিজান (ডাইনীবোৰ) |
| হা (মাটি) | হাবিজান (মাটিবোৰ) |
| নেন (কাপোৰ) | নেনবিজান (কাপোৰবোৰ) |

সেইদৰে - ৰং বা তাং প্ৰত্যয়যুক্ত শব্দ বা আন বহুবচনবাচক শব্দৰ লগত পুনৰবাৰ ‘বিজান’ প্ৰত্যয় যোগ কৰি বহুবচনবাচক শব্দৰ গঠন কৰা হয়। যেনে-

| একবচন | বহুবচন |
|---|---|
| ওৰং (সিহঁত) | ওৰংবিজান (সিহঁতবোৰ) |
| ৰাভাতাং (ৰাভাসকল) | ৰাভাতাংবিজান (সদৌ ৰাভাসকল) |

এইবোৰৰ উপৰিও কিছুমান যুৰীয়া শব্দ বা অনুৰূপ শব্দৰ প্ৰয়োগৰ ফলত বহুবচনৰ সুন্দৰ ধাৰণা পোৱা যায়। যেনে-

হা- নোক (ঘৰবাৰী)

মায় টাকা (সা-সম্পত্তি),

হাচু-হাজেক (পাহাৰ পৰ্বত)

নেন-কান (কানি কাপোৰ)

চিকা বাৰি (পানী - দুনিহ) ইত্যাদি।

উল্লেখ্য যে মায়তৰি ভাষাত এনে কিছুমান বহুবচনবাচক শব্দ আছে, যিবোৰ স্বভাৱতে বহুবচনাত্মক আৰু সেইবোৰ শব্দ সমষ্টিবাচক বা সমূহবাচক শব্দ হিচাপে পৰিচিত হৈ আছে। যেনে-

ছাৰ্কায় (আটায়ে, সকলোৱে),

ত্ৰিকান (সমূহ), কায়নানি (মানুহ আদি)

মায়নানি (ধান আদি), চাকনানি (পাত আদি) ইত্যাদি।

মায়তৰি ভাষাত বিশেষ্যৰ বিকল্পে বিশেষণত বহুবচনবাচক প্ৰত্যয় প্ৰয়োগ হয়। যেনে-

| একবচন | বহুবচন |
|---|---|
| মাছু আককায় (গৰু কলা) | মাছু আক্কায় বিজান (গৰু কলাবোৰ) |
| আককায় মাছু (কলা গৰু ) | আক্কায় মাছুবিজান (কলা গৰুবোৰ)। |

মনকৰিবলগীয়া যে মায়তৰি ভাষাত কেতিয়াবা তাং প্ৰত্যয় যোগ হ'লে একবচনত নিৰ্দিষ্টতা বুজায়। এনে ক্ষেত্ৰত তাং প্ৰত্যয়ে 'নানি' বহুবচনবাচক ৰূপৰ পৰিপূৰক ভাৱে প্ৰয়োগ হয়। যেনে- থাল লতাতাং নাকায় গান্দা উনা ৰাছামাতা (বাচন-বৰ্তন ধোৱাৰ সুবিধাৰ্থে তাক ৰখা হৈছে)।

**৩.৮ ধাতু ঃ**

অসমীয়াৰ দৰে মায়তৰি ভাষাতো ধাতুক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে-

ক) মৌলিক বা মুখ্য ধাতু।

খ) সাধিত বা গৌণ ধাতু।

মৌলিক বা মুখ্য ধাতুক আকৌ তিনিটা ভাগত ভাগ কৰা হৈছে। যেনে-

ক) স্বকীয় বা জঁতুৱা ধাতু।

খ) মূলাগত ধাতু।

গ) ঋণকৃত ধাতু।

**৩.৮.১ স্বকীয় বা জঁতুৱা ধাতু ঃ**

$\sqrt{}$নু (বহ), $\sqrt{}$ ৰু (গা ধো), $\sqrt{}$ গুৰি (শো), $\sqrt{}$নং (ইচ্ছা), $\sqrt{}$ছাক (ৰঙাহ), $\sqrt{}$ৰেং (যোৱা), $\sqrt{}$তং (থাক) ইত্যাদি।

**৩.৮.২ মূলাগত ধাতু ঃ**

√ তান (থোৱা), √ফক (উভাল), √ বাৰ (উভতা), √ ফাই (আহ), √ খাপ (কান্দন), √ মিনি (হাঁহি) ইত্যাদি।

**৩.৮.৩ ঋণকৃত ধাতু ঃ**

সাধাৰণতে মায়তৰি ভাষাত - আয়/ই প্ৰত্যয় যোগে সংস্কৃতমূলীয় বা আৰবী, ফাৰ্চী আদি বিদেশী ভাষাৰ পৰা ঋণকৃত ধাতু গঠন কৰা হয়। যেনে- জন্ম > √ জনম, জন্ম, পঢ় > √ পৰায়, কাম > √ কামি, লিখ > √ লিখি, লাভ > √ লাব, বিশ্বাস > √ বিচাছ, দৈনিক > √ দিন্নি, পথাৰ > √ পাথাৰ, সম্ভাল > √ ছামলায় ইত্যাদি।

সাধিত বা গৌণ ধাতু পাচপ্ৰকাৰ। যেনে ঃ

ক) পাচনী ধাতু।

খ) নামধাতু।

গ) ধ্বন্যাত্মক ধাতু।

ঘ) প্ৰত্যয়যুক্ত আৰু সংপৃক্ত ধাতু।

ঙ) সংযুক্ত ধাতু।

**৩.৮.৪ পাচনী ধাতু ঃ**

মায়তৰি ভাষাত পূৰ্বসৰ্গ বা উপসৰ্গ প্ৰয়োগৰ ফলত পাচনী ধাতু গঠিত হয়। পাচনী ধাতুৰ উদাহৰণ - √ ছা (খা) > √ খিছা / (খুৱা)

√ নুক (দেখা) > √ তুনুক (দেখুওৱা)

√ নু (বহ) > √ তুনু (বহুৱা)

√ তুং (গৰম) > √ কুতুং (গৰম কৰ)

এইবোৰৰ কেতিয়াবা বৰ্ণবিপৰ্যয় ঘটিও মধ্য প্ৰত্যয় বা পৰ প্ৰত্যয়ৰ দৰে মৌলিক বা সাধিত ধাতুৰ সংযোগ হয়। উদাহৰণ √ জাপ্ৰা (উচপ খা) √ জাতাপ্ৰা (উচপ খুওৱা) √ প্ৰ (প্ৰকাশ) ততপ্ৰ (প্ৰকাশ কৰ)।

**৩.৮.৫ নামধাতু ঃ**

কোনো প্ৰত্যয় সংযোগ নকৰাকৈ মায়তৰি ভাষাত নামধাতুৰ গঠন কৰা হয়। যেনে-

√ থাৰ (পৰিষ্কাৰ) √ থাৰ (পৰিস্কাৰ হ)

√ ফাৰ (ৰাতি) √ ফাৰ (ৰাতি হ)

√ তাক (মুষ্টি) √ তাক (সৃষ্টি কৰ)

√ জুছু (প্ৰেসাৰ) √ জুছু (প্ৰেসাৰকৰ)

√ গাৰায় (গালি) √ গাৰায় (গালিপাৰ) ইত্যাদি।

**৩.৮.৬ ধ্বন্যাত্মক ধাতু ঃ**

ধ্বনাত্মক ধাতু গঠন কৰাৰ ক্ষেত্ৰতো মায়তৰি ভাষাত কোনো প্ৰত্যয় সংযোগ নহয়। যেনে-

√ ক্ৰিং (বোকনি)

√ আও (চিঞৰ)

√ খাপ (কান্দন)

√ কেংকায় (কেঁকা)

√ হং (ভুক)

√ গাৰায় (গালি)

√ চেন্‌ঠ্ৰায় (চিঞৰ) ইত্যাদি।

কেতিয়াবা দ্বিৰুক্তিবাচক ধ্বন্যাত্মক শব্দৰ সংকোচ ঘটাৰ ফলতো এনে ধাতুৰ গঠন হয়। যেনে-

√ ছিনা ছিনা (মুমুৰ্ষপ্ৰায়) 〉√ ছিনা (মৰো)

√ ব্ৰাংব্ৰাং (খোলা-খুলিকৈ) 〉ব্ৰাং (খোলা)

√ ছ্বামছ্বাম (মচমচীয়াকৈ) 〉ছ্বাম (মচ মচ হ)

**৩.৮.৭ প্ৰত্যয়যুক্ত আৰু সংপৃক্ত ধাতু ঃ** এইবোৰ ধাতুৰ উদাহৰণবোৰ হ'ল-

√ কক (প্ৰহাৰ কৰ) 〉√ ককজিন (মৰামৰি কৰ)

√ তা (পূণ কৰ) 〉√ তাক (তৈয়াৰ কৰ)

√ বা (বোকাচাত ল) 〉বাওৰায় (লক্ষ্যভ্ৰষ্ট হ) ইত্যাদি।

**৩.৮.৮ সংযুক্ত ধাতু ঃ**

মায়তৰি ভাষাত সংযুক্ত ধাতু দুই প্ৰকাৰে গঠিত হয়। প্ৰথমতে, ধাতু এটা বিশেষ্য, বিশেষণ আৰু অন্যান্য কাৰক বাচক ৰূপৰ লগত সংযোগ ঘটি সাধাৰণ অৰ্থত বা জঁতুৰা ঠাচ হিচাপে।

যেনে- ৰাম (বাট) +√ ধেং (খোল) - ৰামধেং (বাটমুক্ত)

ৰাম (বাট) +√ তিনাই (দেখুৰা) - ৰামতিনায় (বাট আগবঢ়াই দে)

বাৰ (জুই) +√ খাম (জুইপোৰা / জ্বলা) - বাৰখাম (জুই জ্বলি শেষ হ)

নোক (ঘৰ) +√ তাক (বনা) - নোকতাক (সংসাৰ কৰ)

পিথাৰ (পবিত্ৰ) +√ চাং (হ) - পিথাৰ চাং (শুচি হ) ইত্যাদি।

দ্বিতীয়তে, দুই বা ততোধিক ধাতু লগ লাগি বা অন্যান্য অসমাপিকা ক্ৰিয়া আৰু কৃদন্ত ৰূপৰ লগত এটা ধাতু লগ লাগি সাধাৰণ অৰ্থত বা জতুৰাঠাঁচ হিচাপে সংযুক্ত ধাতু গঠিত হয়।[৬] যেনে-

√ কক (কোবা)+√ মাছা (খা) -ককমাছা (কোব খা)

√ চাক (সহায়) +√ ফাই / আহ) চাকফাই (সহযোগ)

√ ৰন (বিলা) +√ চং (আৰাম্ভ) - ৰনচং (বিতৰণকৰ)

√ না (শুন) +√ ছক (ঢুকি পা) - নাছক (শুনিবলৈ কান পাত)

√ ছায় (খাই) +√ ৰেং (যা) - ছায়ৰেং (খাই যা) ইত্যাদি।

**৩.৯ ক্ৰিয়া ঃ**

মায়তৰি ভাষাত ক্ৰিয়া দুবিধ। সেই দুবিধ হ'ল-

ক) সমাপিকা ক্ৰিয়া।

খ) অসমাপিকা ক্ৰিয়া।

আয়াবে ছানছানা নেন তাকে তোৰা (মা দিনটো কাপোৰ বনাই থাকে)। এইটো এটা সমাপিকা ক্ৰিয়াৰ উদাহৰণ। কাৰণ ইয়াত বাক্যটোৰ অৰ্থ সম্পূৰ্ণ কৰিব পাৰিছে।

ক্ৰিয়াৰ উদাহৰণ। কাৰণ ইয়াত বাক্যটোৰ অৰ্থ সম্পূৰ্ণ কৰিব পাৰিছে।

আনহাতে বাক্যৰ গঠন আৰু তাৰ অৰ্থৰ ক্ষেত্ৰত অসম্পূৰ্ণ ক্ৰিয়াপদক অসমাপিকা ক্ৰিয়া বোলে।

যেনে- আং ছিখি ৰিবানো ৰিবানো ইনে ছামে ছামে (মই সখি আহিব আহিব বুলি ৰৈ ৰৈ)

**৩.১০ ক্ৰিয়াৰ কাল ঃ**

মায়তৰি ভাষাত ক্ৰিয়াৰ কালৰ গঠন প্ৰণালী সাধাৰণ। কিছুমান ধাতুৰ পিছত প্ৰত্যয় যোগ কৰি কালৰ পাৰ্থক্য নিৰ্ণয় কৰে। মায়তৰি ভাষাত কাল তিনিবিধ-

ক) বৰ্তমান কাল।

খ) ভূত বা অতীত কাল।

গ) ভৱিষ্যত কাল।

এই তিনিটা কালৰে আকৌ কিছুমান উপৰূপ আছে। যেনে-

**বৰ্তমান কাল ঃ** (ক) নিত্য বৰ্তমান কাল।

(খ) স্বৰূপ বৰ্তমান কাল।

(গ) পূৰ্ণ বৰ্তমান কাল।

(ঘ) অপূৰ্ণ বৰ্তমান কাল।

(ঙ) সন্দেহযুক্ত বৰ্তমান কাল।

(চ) দুৰ বৰ্তমান কাল।

**ভূত বা অতীত কাল ঃ**

ক) সাধাৰণ ভূত বা অতীত কাল।

খ) নিত্য ভূত বা অতীত কাল।

গ) স্বৰূপ ভূত বা অতীত কাল।

ঘ) সন্দেহযুক্ত ভূত বা অতীত কাল।

ঙ) পূৰ্ণ ভূত বা অতীত কাল।

চ) অসম্পূৰ্ণ ভূত বা অতীত কাল।

চ)	অসম্পূৰ্ণ ভূত বা অতীত কাল।

ছ)	সম্ভাব্য ভূত বা অতীত কাল।

**ভৱিষ্যত কাল ঃ**

ক)	সাধাৰণ ভৱিষ্যত কাল।

খ)	স্বৰূপ ভৱিষ্যত কাল।

গ)	অদুৰ ভৱিষ্যত কাল।

ঘ)	সম্ভাব্য ভৱিষ্যত কাল।

তলত প্ৰত্যেকটো কালৰে উদাহৰণ সহ আলোচনা কৰা হ'ল ঃ

**৩.১০.১ বৰ্তমান কাল ঃ**

ক)	নিত্য বা সাধাৰণ বৰ্তমান কাল ঃ মায়তৰি ভাষাত-আ /য়া, -বা /তা ইত্যাদি ক্ৰিয়া বিভক্তি এই কালত প্ৰয়োগ হয়। যেনে-

কি হুঙা (কুকুৰ ভূকে)।

চিং না বোতা (আমি মাছ মাৰো)।

খ)	স্বৰূপ বৰ্তমান কাল ঃ মায়তৰি ভাষাত স্বৰূপ বৰ্তমান কালত -- এতা /--তা ক্ৰিয়া বিভক্তি প্ৰয়োগ কৰা হয়। যেনে-

আমে নাঙোন ছামেতা (মই তোমালৈকে অপেক্ষা কৰিছো)।

বাদ্ৰায় পাৰ পাৰেতো (বাগিছাত ফুল ফুলিছে)।

গ)	পূৰ্ণ বৰ্তমান কাল ঃ জো / জোক ক্ৰিয়া বিভক্তি পূৰ্ণ বৰ্তমান কালত প্ৰয়োগ ঘটে। যেনে-

আঙি মায় মুনজো ( মোৰ ভাত সিজিছে)।

আয়ান বাবান বাজাৰনিপাৰা ৰিবাজো (মা দেউতা বজাৰৰ পৰা আহিছে)।

ঘ)	অপূৰ্ণ বৰ্তমান কাল ঃ অপূৰ্ণ বৰ্তমান কালত মায়তৰি ভাষাত - নাতা, মাতা, ঙতা ইত্যাদি ক্ৰিয়া বিভক্তিৰ প্ৰয়োগ কৰা হয়। যেনে- উগায় কাথা আং মিয়ানিপাৰান নানাতা ( সেই কথা মই

কালিৰ পৰাই শুনি আছো)।

ৰেংকায় বৌছাৰনিপাৰা দাদানা নুকচানাতা (যোৱা বছৰৰ পৰা দাদাক দেখা নাই)।

১৯৭০ চননি পাৰা দদানমেলা চাঙাতা (১৯৭০ চনৰ পৰা দদান মেলা হৈছে)।

ঙ) **সন্দেহযুক্ত বৰ্তমান কাল ঃ** নোম - মো / -ঙো /-ত আদি ক্ৰিয়া বিভক্তি প্ৰয়োগ কৰা হয়। যেনে-

আংৰেংচাদং আয়া গাৰায়নো নোমা (মই নগলে মা গালি পাৰিব ছাগে), নকো নেমৰাঙা খা চোৰ ধাঙো (দুৱাৰখন ভালদৰে মাৰ চোৰ সোমাব ছাগে), নাং তেচে ৰেঙা হাতখোলা প্ৰীনজনো। (তুমি এতিয়া হৈ যোৱা, বজাৰখনে ভাঙিল ছাগে)।

চ) **দূৰ বৰ্তমান কাল ঃ** দূৰ বৰ্তমান কালত - না, - তা আদিৰ প্ৰয়োগ হয়। যেনে-

ৰিবা চিং কামিং মায় ছানা। (আহা আমি দুয়ো ভাত খাম), নাং নু আং নেন কাননা। (তুমি বহা মই কাপোৰ পিন্ধো।

**৩.১০.২ ভূত বা অতীত কাল ঃ**

ভূত বা অতীত কালৰ প্ৰত্যেকটো উপকালৰ ৰূপত মায়তৰি ভাষাত - মামুং বা মুং ক্ৰিয়া বিভক্তি প্ৰয়োগ কৰি সুকীয়া সুকীয়া বাক্যৰ গঠন কৰা হয়। যেনে-

ক) **সাধাৰণ ভূত বা অতীত কাল ঃ**

তিকাংকালিনি কায়তাং ঘ্ৰিমি তোৰামামুং (আগৰ দিনৰ মানুহে হাবিত আছিল)। আং নাঙা তিকাং নুঙাতা মুং (মই তোমাক আগতে দেখিছিলো)।

খ) **নিত্য ভূত কাল বা অতীত কাল ঃ**

তিকাংকালি ৰাভাতাংবে হাচুইছে তোৰা মামুং।

(আগৰ দিনত ৰাভাসকলে পাহাৰতহে বাস কৰিছিল)।

গ) **স্বৰূপ ভূত বা অতীত কাল ঃ**

নাঙি ভিয়া / বিয়া চাংকায় বৌছাৰি আং নোকি তংচা মুং

(তোমাৰ বিয়া হোৱা বছৰত মই ঘৰত নাছিলো)।

ঘ) **পূৰ্ণভূত বা অতীত কাল ঃ**

বাব্ৰা টাকা ৰাখুইছে, ৰীনিনি ভিয়ান চাংচাজো মামুং। (দেউতাকে টকা দিহে, ৰীনিৰ বিয়া নহ'লহেতেন)।

**ঙ) অপূৰ্ণ ভূত বা অতীত কাল ঃ**

অতীত বৰ্তমান কালৰ ৰূপৰ লগত - মামুং সহায়কাৰি ক্ৰিয়াৰ প্ৰয়োগ কৰা হয়। যেনে-

ৰেংকায় বায়খোবায় ভঙে আং নাঙা পাজাৰ গছা ৰাখুনাতা মামুং।

(যোৰা বায়খোত লগ পাওঁতে মই তোমাক পাজাৰ এখন দিছিলো)।

**চ) সাম্ভাব্য ভূত বা অতীত কাল ঃ** সাম্ভাব্য ভূত কালত - নো, - যো, - ঙো /- ও আদি ভৱিষ্যত কালৰ ৰূপৰ লগত ফাং / মামুং ক্ৰিয়াৰ প্ৰয়োগ ঘটে। যেনে-

নাং মায়তাঙান ৰিবাদঙান, আয়ানা ভঙোফাং (তুমি পৰহি আহিলেই মাক লগ পালেহেতেন)।

**ছ) সন্দেহযুক্ত ভূত বা অতীত কাল ঃ** সন্দেহযুক্ত বৰ্তমান কালৰ - জনো প্ৰত্যয়ৰ অন্তত - মামুং / ফাং ক্ৰিয়া ব্যৱহাৰ হয়। যেনে-

বাব্ৰা খেঙে তংদংবে ছাব্ৰাবিজান আলায় ধালায় চাংচা ফাং (দেউতাক জীয়াই থাকিলে ল'ৰা - ছোৱালীবোৰ আলাই আথানি নহ'লহেতেন) ।

**৩.১০.৩ ভৱিষ্যত কাল ঃ**

**ক) সাধাৰণ ভৱিষ্যত কাল ঃ** মায়তৰি ভাষাত সাধাৰণ ভৱিষ্যত কালত - নো, - মো, -ঙো আদি ক্ৰিয়াৰ ব্যৱহাৰ কৰা হয়। যেনে- আং গাফুং গিমিৰিঙি নুকিনা ৰেঙো (মই কাইলৈ ভিনিদেউহঁতৰ ঘৰলৈ যাম )

**খ) স্বৰূপ ভৱিষ্যত কাল ঃ** স্বৰূপ ভৱিষ্যত কালত - তঙো ক্ৰিয়া ব্যৱহাৰ কৰি বাক্যৰ গঠন কৰা হয়। যেনে-

নাং ৰিবাচং আং ছামে তঙো (তুমি আহি থাকা মই ৰৈ থাকিম)

ৰানু পৰায়দামনিপাৰা ৰিবায় তঙো (ৰানু স্কুলৰ পৰা আহি থাকিব)।

গ)  **অদুৰ ভৰিষ্যত কাল ঃ** মায়তৰি ভাষাত অদুৰ ভৰিষ্যত কালত-জো প্ৰত্যয়ৰ ব্যৱহাৰ কৰা হয়। যেনে- মায় তাপান ৰুম ফাৰ চাঙাজো' (ভাত সোনকালে বনোৱা, ৰাতি হবৰ হ'ল)।

ঘ)  সাম্ভাব্য ভবিষ্যত কাল ঃ সাম্ভাব্য ভবিষ্যত কালত -- নাজো প্ৰত্যয়ৰ অন্তত -- মামুং ক্ৰিয়াৰ প্ৰয়োগ ঘটি বাক্যৰ গঠন হয়। যেনে- তেয়ান কিনাজো মামুং (এতিয়াই পৰিলেহেতেন)।

মাছু মায় ছানাজোমামুং (গৰু ধান খালেহেতেন) ইত্যাদি।

**৩.১১ বিশেষ্য ঃ**

মায়তৰি ভাষাত বিশেষ্য পাঁচটা। যেনে-

ক)  জাতিবাচক বিশেষ্য।

খ)  সংজ্ঞাবাচক বিশেষ্য।

গ)  বস্তুবাচক বিশেষ্য।

ঘ)  গুণবাচক বিশেষ্য।

ঙ)  ক্ৰিয়াবাচক বিশেষ্য।

-- কায় (মানুহ), -তো -(চৰাই), ঝৰা (নদী) ইত্যাদি পদসমূহেই মায়তৰি ভাষাত জাতিবাচক বিশেষ্য।

জাতিবাচক বিশেষ্য পদক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি।

ক)  প্ৰাণীবাচক আৰু

খ)  অপ্ৰাণীবাচক।

মায়তৰি ভাষাত মাছা (বাঘ), মাধা (ভালুক), কায় (মানুহ), মাছু (গৰু), তো (চৰাই) ইত্যাদি পদবোৰ প্ৰাণীবাচক বিশেষ্য পদ।

আনহাতে হাচু (পাহাৰ), পান (গছ), ঝৰা (নৈ, নিজৰা), ৰাং (বৰষুণ), ৰাম্পাৰ (বতাহ) ইত্যাদি অপ্ৰাণীবাচক বিশেষ্য পদ।

**৩.১১.১ সংজ্ঞাবাচক বিশেষ্য ঃ**

সংজ্ঞাবাচক বিশেষ্য পদ দুটা।

ক) প্ৰাণীবাচক আৰু

খ) অপ্ৰাণীবাচক।

**৩.১১.২ প্ৰাণীবাচক ঃ** প্ৰাণীবাচক বিশেষ্যৰ ভাগ আকৌ দুটা। যেনে-

ক) সাধাৰণ সংজ্ঞাবাচক বিশেষ্য।

খ) বিশেষ সংজ্ঞাবাচক বিশেষ্য।

জীৱ জন্তু, বয়-বস্তু, ইন্দ্ৰিয়গ্ৰাহ্য আদিৰ নাম বুজোৱা পদেই সাধাৰণ সংজ্ঞাবাচক বিশেষ্য। যেনে- হুতী (হাতী), কায় (মানুহ), হাচু পথাৰ), ৰাংছাং (সূৰ্য) ইত্যাদি।

সাধাৰণ সংজ্ঞাবাচক প্ৰাণী বা বস্তু বা বিষয় একোটাৰ বিশেষ নাম বুজোৱা পদেই বিশেষ সংজ্ঞাবাচক বিশেষ্য । যেনে সীতা, ৰীতা, অনিল, নীলা ইত্যাদি।

**৩.১১.৩ অপ্ৰাণীবাচক ঃ** প্ৰাণহীন সাধাৰণ সংজ্ঞাবাচক আৰু বিশেষ সংজ্ঞাবাচক বিশেষ্যকেই অপ্ৰাণীবাচক বিশেষ্য পদ বোলে। যেনেঃ ঝৰা (নৈ), হাচু (পাহাৰ), হাজেক (পৰ্বত) আদি সাধাৰণ সংজ্ঞাবাচক বিশেষ্য। তুৰা, শ্বিলং, ফুলবাৰী, ৰংচাই আদি বিশেষ সংজ্ঞাবাচক বিশেষ্য।

বস্তুবাচক বিশেষ্য ঃ মায়তৰি ভাষাত - চিংকু (আদা), মায় (ধান), তুপাই (মাটিমাহ), ৰেঠে (কল), পাংচুং (কঠাল) ইত্যাদি বস্তুবাচক বিশেষ্য।

**৩.১১.৪ গুণবাচক বিশেষ্য ঃ** মায়তৰি ভাষাৰ গুণবাচক বিশেষ্যবোৰ হ'ল- হকছিনি (তিৰস্কাৰ), থাৰছিনি (পবিত্ৰতা), ছাক্ৰং (ৰঙচুৰা) ইত্যাদি।

মায়তৰি ভাষাৰ শুদ্ধ গুণবাচক বিশেষ প্ৰায়ভাগে অন্যান্য ভাষাৰ পৰাহে আহিছে। যেনে- জুৱান < যৌৱন, মায়া, মইছা < মহিমাময়ী) ইত্যাদি।

ক্ৰিয়াবাচক বিশেষ্য ঃ খেংকায় (জীৱিত), হককায় (বোলকনি),

গুৰিকায় (শয়ন), ক্ৰাংকায় (ভ্ৰমণ) ইত্যাদি ক্ৰিয়াবাচক বিশেষ্যৰ উদাহৰণ।

এইবোৰৰ উপৰিও মায়তৰি ভাষাত কিছুমান উপপদ, যুক্তশব্দ, পৰপ্ৰত্যয় পূৰ্বসৰ্গ আদি যুক্ত কিছুমান বিশেষ্য পদ আছে। যেনে- মা, না, তো আদি জীৱ জন্তুবাচক উপপদ ঃ মাছা (বাঘ), মাধা (ভালুক), মাক্ৰা (বান্দৰ), মাচি (হৰিণ), নাছানা (পুঠিমাছ), নাকাচেং (মিছামাছা), তোখুৰ (কোপৌ),

তোৰাং (চিলনী) ইত্যাদি।

হা, ৰাং, চি যুক্ত শব্দৰ দ্বাৰা গঠিত বিশেষ্য পদৰ উদাহৰণ- হাচু (পাহাৰ), হাপচি (বোকা), হাদাবুৰি (ধূলি) আদি।

-কায় পৰপ্ৰত্যয় যোগে গঠিত বিশেষ্য পদৰ উদাহৰণ ছাকায় (খোৱা), তংকায় (থকা), পৰায়কায় (পঢ়া) ইত্যাদি।

-পি, ৰাং আদি পূৰ্বসৰ্গ যুক্ত বিশেষ্য পদৰ উদাহৰণ যেনে- পিখা (কলিজা), পিচি (কণী), পিলাক (পিত্ত), ৰাংখোপ (আকাশ), ৰাংছাং (সূৰ্য) ইত্যাদি।

**৩.১২ বিশেষণ ঃ** কোনো শব্দৰ গুণ, দোষ বা অৱস্থা আদি বুজোৱা পদেই বিশেষণ। মায়তৰি ভাষাত বিশেষণ পদ তিনিটা।

ক) বিশেষ্যৰ বিশেষণ।

খ) বিশেষণীয় বিশেষণ।

গ) ক্ৰিয়া বিশেষণ।

বিশেষ্য বিশেষণ আৰু বিশেষণীয় বিশেষণ ইহঁতক একেলগে নাম বিশেষণ বোলা হয়। অৰ্থ আৰু উৎস অনুসাৰে ইহঁতৰ শ্ৰেণীভেদ আছে।[৭] যেনে-

ক) সংজ্ঞাবাচক বিশেষ্য।

খ) গুণবাচক বিশেষণ।

গ) পৰিমাণবাচক বিশেষণ।

ঘ) সংখ্যাবাচক বিশেষণ।

ঙ) নিৰ্দেশ বা নিৰ্দ্দিষ্টবাচক বিশেষণ।

চ) প্ৰশ্নবাচক বিশেষণ।

ছ) সম্বন্ধবাচক বিশেষণ।

জ) অব্যয়বাচক বা পৰসৰ্গীয়বাচক বিশেষণ।

**ক) সংজ্ঞাবাচক বিশেষণ ঃ** বিশেষ্যৰ লগত বিভিন্ন প্ৰত্যয় সংযোগৰ ফলত সংজ্ঞাবাচক

বিশেষণ পদ গঠিত হয়। যেনে- চিকা (পানী) + ইনি 〉চিকাইনি (পানীৰ), তাউন (চহৰ) + ইনি 〉তাউননি (চহৰৰ)।

**খ) গুণবাচক বিশেষণ ঃ** বিশেষণ ধৰ্মী ধাতুৰ পিছত কৃৎ প্ৰত্যয় সংযোগৰ ফলত গুণবাচক বিশেষণ পদৰ গঠন হয়। যেনে-লক্ষণবাচক, আকৃতি, দিশ বা অৱস্থা, কাল বা বতৰ, স্বাদ বা ঘ্ৰাণ আদি বুজোৱা শব্দবোৰ গুণবাচক বিশেষণৰ ভিতৰুৱা বিষয়। যেনে-

**লক্ষণবাচক ঃ** ৰাংকায় (নিয়া)

ৰাংচাকায় (নিনিয়া) 〈 √ ৰা (ল)

ৰানকায় (শুকান) ৰানচাকায় (নুশুকুৱা) 〈 ৰান (শুকান হ)

**আকৃতিবাচক ঃ** ছোঙা (চুটি), ৰোৱা (দীঘল), 〈 ছোং (ছাপৰ হ), চুংকায় (ডাঙৰ), মৌলকায . (সৰু) 〈 চুং (ডাঙৰ) আদি।

**দিশ বা অৱস্থাবাচক ঃ** পুংকায় (ঘন) হেংকায় (পাতল), 〈 পুং (ঘন হ), থুকায় (গভীৰ) 〈 থু (গভীৰ হ)।

**কাল বা বতৰবাচক ঃ** তিকাংকালি ( আগৰদিনত ) 〈 তিকাং (আগত হ), ছিখামবীতাৰি (জাৰকালি) 〈 ছিখাম (জাৰ হ)।

**পৰিমাণবাচক ঃ** ৰিকায় (গধুৰ) 〈 ৰি (গধুৰ হ) চেংকায় (পাতল), 〈 চেং (পাতল হ)।

**স্বাদ বা ঘ্ৰাণবাচক ঃ** ছুমকায় (মিঠাই) 〈 ছুম (মিঠাই) খিকায় (টেঠা), 〈 খি (টেঙা হ) ইত্যাদি।

**গ) পৰিমাণবাচক বিশেষণ ঃ** পৰিমাণ বুজোৱা শব্দৰ দ্বাৰা গঠিত বাবে ই পৰিমাণবাচক বিশেষণ। ই বেছিকৈ ক্ৰিয়াৰ লগত ব্যৱহাৰ হয়। সেয়ে ইয়াক ক্ৰিয়া বিশেষণ বুলিয়ে কব পাৰি। যেনে ঃ কেছা (কিছু), ব্ৰিকান (সকলো), এনচেক (ইমান), ঝানকায় (দূৰত), ওনচক ঝানকায় (ইমান দূৰত), ওখ্ৰে (তেনেদৰে) ইত্যাদি।

**ঘ) সংখ্যাবাচক বিশেষণ ঃ** সংখ্যাবাচক বিশেষণ সংখ্যাবাচক শব্দৰ পিছত সাধিত হয়। যেনে- ছাকজা (এজন), ৰাংগ্ৰেজা (এমাহ), ছানছা (এদিন) ,ফলছা (এফাল) ইত্যাদি।

**ঙ) নিৰ্দেশ বা নিৰ্দিষ্টবাচক বিশেষণ ঃ** স্পষ্টকৈ বুজোৱা শব্দৰ পিছত ব্যৱহাৰ হয় বাবে

ইয়াৰ নাম নিৰ্দেশ বা নিৰ্দিষ্টবাচক বিশেষণ। যেনে - এথেংকায় (এনেকুৱা), ওথেংকায় (তেনেকুৱা), ছেথেংকায় (যেনেকুৱা), একায় (এইটো), উকায় (সেইটো) ইত্যাদি।

চ) **প্ৰশ্নবাচক বিশেষণ ঃ** যেনেঃ -আতো (কি), বিছি (ক'ত), বেঙা (কলৈ), বেনচেক (কিমান) ইত্যাদি মায়তৰি ভাষাৰ প্ৰশ্নবাচক বিশেষণ।

ছ) **সম্বন্ধবাচক বিশেষণ ঃ** সম্বন্ধবাচক বিশেষণবোৰ হ'ল আঙি (মোৰ), নাঙি (তোমাৰ), নাৰঙি (তোমালোকৰ), উনি (তেওঁৰ), বাংবাঙি (খুড়াৰ), আয়ানি (মাৰ) ইত্যাদি।

জ) **অব্যয়বাচক বা পৰসৰ্গীয় বিশেষণ ঃ** গান্দা /গানা (সাইলাখ) ৰিখা (প্ৰতি প্ৰত্যেক), থাপছা /চবৰছা (মখা, সোপা) ইত্যাদি পদেই মায়তৰি ভাষাৰ অব্যয়বাচক বা পৰসৰ্গীয় বিশেষণ।

এইবোৰৰ উপৰিও উভয়লিংগবাচক কৃৎপ্ৰত্যয় আৰু তদ্বিত প্ৰত্যয়ৰ সংযোগত সাধিত হোৱা বিশেষণ শব্দৰ কিছুমান মায়তৰি ভাষাত আছে। যেনে-

বুদা ঃ খাপবুদা (কান্দুৰা )

গ্ৰাক ঃ মাদুগ্ৰাক (কৃপণ)

খ্ৰোক ঃ জাছাখ্ৰোক (পৰচৰ্চা)

খ্ৰোক ঃ জাৰখ্ৰোক (পলৰীয়া)

ব্ৰাউ ঃ খালাংব্ৰাউ (খজুৰতী)

দাৰী ঃ হিংছাদাৰী (হিংসুক) ইত্যাদি।

পাদটীকাঃ

১। নাহেন্দ্ৰ পাদুন, ভাষাৰ তত্বকথা, পৃঃ ৩৩২

২। যোগেন্দ্ৰনাথ বাণ্ঠো, ৰাভা জাতিৰ ইতিবৃত্ত, পৃঃ ৯২

৩। উপেন ৰাভা হাকাছাম, শিকো বুজো ৰাভা ভাষা, পৃঃ ৫৭

৪। পূৰ্বোক্ত, ৰাভা ভাষা আৰু সাহিত্য, পৃঃ ১০১

৫। পূৰ্বোক্ত, পৃঃ ৬১

৬। পূৰ্বোক্ত, পৃঃ৭৮

৭। পূৰ্বোক্ত,পৃঃ৬৭

**************